Total No. of Printed Pages—27

6 SEM FYUGP COM (FIN/ MKT/HRM/BNI) C6C

2026

(May/June)

COMMERCE

(Core)

Full Marks : 60

Time : 2½ hours

The figures in the margin indicate full marks for the questions.

Paper : COMFINC6C

(Financial Statement Analysis)

1. শুদ্ধ উত্তৰটো বাছি উলিওৱা : 1×3=3

Choose the correct answer :

(a) আৰ্থিক বিৱৰণীয়ে প্ৰদৰ্শন কৰে

Financial statement exhibits

(i) প্ৰত্যাশিত তথ্য / anticipated facts

(ii) লিপিবদ্ধ তথ্য / recorded facts

(iii) তথ্যৰ অনুমান / estimates of facts

(b) তৰল দেনাৰ অন্তৰ্ভুক্ত নহয়

Liquid liabilities exclude

(i) প্ৰাপ্য বিল / Bills Payable

(ii) বেংক অভাৰড্ৰাফ্‌ট / Bank Overdraft

(iii) বকেয়া খৰচ / Accrued Expenses

(c) বিত্তীয় কাৰ্যকলাপৰ পৰা হোৱা নগদ ধনৰ এটা উদাহৰণ হ'ল

An example of cash from financing activity is

(i) লভ্যাংশ পৰিশোধ

payment of dividend

(ii) বিনিয়োগৰ ওপৰত লভ্যাংশ লাভ

receipt of dividend on investment

(iii) স্থায়ী সম্পত্তি ক্ৰয়

purchase of Fixed Assets

2. খালী ঠাই পূৰণ কৰা : 1×3=3

Fill in the blanks :

(a) ঋণ-ইকুইটি অনুপাত হৈছে বহিৰাগতৰ পুঁজি আৰু _____ মাজৰ সম্পৰ্ক।

Debt-equity ratio is the relationship between outsider's funds and _____.

(b) কমন-চাইজ বিৱৰণী হৈছে _____ বিশ্লেষণৰ এটা ৰূপ।

Common-size statement is a form of _____ analysis.

(c) ভাৰতত বিত্তীয় প্ৰতিবেদনৰ মানদণ্ডসমূহ _____ য়ে জাৰি কৰে।

Financial reporting standards in India are issued by the _____.

3. তলত দিয়াবোৰৰ যি কোনো দুটাৰ ওপৰত চমু টোকা লিখা : 3×2=6

Write short notes on any *two* of the following :

(a) GAAP

(b) মূলধন গিয়াৰিং অনুপাত

Capital Gearing Ratio

(c) আৰ্থিক বিবৃতিসমূহ

Financial Statements

(d) নগদ প্ৰবাহ বিৱৰণীৰ ব্যৱহাৰ

Uses of Cash Flow Statement

4. (a) আৰ্থিক বিৱৰণীৰ বিশ্লেষণ বুলিলে কি বুজা যায়? আৰ্থিক বিৱৰণীৰ বিশ্লেষণ আৰু ব্যাখ্যাৰ বিভিন্ন পদ্ধতিসমূহ কি কি? 4+8=12

What do you understand by analysis of financial statements? What are the different methods used for the analysis and interpretation of financial statements?

অথবা / Or

(b) বিজয় লিমিটেডৰ বাবে 31 মাৰ্চ, 2024 আৰু 31 মাৰ্চ, 2023 চনৰ এখন কমন চাইজ উদ্বৃত্ত-পত্ৰ প্ৰস্তুত কৰা : 12

From the following Balance Sheets of Vijay Ltd. as at 31st March, 2024 and 31st March, 2023, prepare a Common Size Balance Sheet :

বিজয় লিমিটেডৰ বাবে

31 মাৰ্চ, 2024 আৰু 31 মাৰ্চ, 2023 তাৰিখৰ উদ্বৃত্ত-পত্ৰ

Balance Sheet of Vijay Ltd.

as on 31st March, 2024 and 31st March, 2023

বিৱৰণ/ Particulars	*টোকা Note*	*31.03.2024* টকা/₹	*31.03.2023* টকা/₹
I. ইকুইটি আৰু দেনা : *Equity and Liabilities* :			
1. অংশধাৰকৰ পুঁজি : Shareholders' Funds :			
(a) অংশ মূলধন Share Capital		10,00,000	10,00,000
(b) সংৰক্ষিত আৰু ৰাহি Reserves and Surplus		18,00,000	12,00,000
2. অচলিত দেনা : Non-current Liabilities :			
দীৰ্ঘম্যাদী ঋণ Long-term Borrowings		3,75,000	
3. চলিত দেনা Current Liabilities		8,25,000	8,00,000
		40,00,000	30,00,000

বিৰৰণ/ Particulars	টোকা Note	31.03.2024 টকা/₹	31.03.2023 টকা/₹
II. সম্পত্তি : Assets :			
1. অচলিত সম্পত্তি : Non-current Assets :			
(a) স্থায়ী সম্পত্তি Fixed Assets		17,92,000	12,60,000
(b) অচলিত বিনিয়োগ Non-current Investments		—	4,00,000
2. চলিত সম্পত্তি : Current Assets :			
(a) মজুত Inventories		12,40,000	9,13,000
(b) বাণিজ্যিক প্ৰাপ্য Trade Receivables		9,10,000	4,05,000
(c) নগদ ধন আৰু নগদ ধনৰ সমতুল্য Cash and Cash Equivalents		58,000	22,000
		40,00,000	30,00,000

5. (a) অনুপাত বিশ্লেষণ বুলিলে কি বুজা? ‘‘আৰ্থিক ফলাফলক অধিক বুজিব পৰা কৰি তোলাৰ উদ্দেশ্যে ব্যৱসায়ৰ স্বাস্থ্য পৰীক্ষা কৰাৰ এক আহিলা হৈছে অনুপাত বিশ্লেষণ।’’ ব্যাখ্যা কৰা। 3+9=12

What do you mean by ratio analysis? “Ratio analysis is a tool to examine the health of business with a view to make financial results more intelligible.” Explain.

অথবা / *Or*

(b) কচমছ লিমিটেডৰ সৈতে জড়িত অনুপাতসমূহ তলত দিয়াধৰণে দিয়া হৈছে :

The ratios relating to Cosmos Ltd. are given as follows :

মুঠ লাভৰ অনুপাত—15%
Gross profit ratio—15%

মজুত বেগ—6 মাহ
Stock velocity—6 months

দেনাদাৰ বেগ—3 মাহ
Debtors velocity—3 months

পাওনাদাৰৰ বেগ—3 মাহ
Creditors velocity—3 months

2025 চনৰ মাৰ্চ মাহত সমাপ্ত হোৱা বছৰটোৰ মুঠ লাভৰ পৰিমাণ 60,000 টকা। সামৰণি মজুত প্ৰাৰম্ভিক মজুতৰ সমান।

Gross Profit for the year ending March 2025 amounts to ₹ 60,000. Closing Stock is equal to Opening Stock.

বিচাৰি উলিওৱা : 3×4=12

Find out :

(i) বিক্ৰী / Sales

(ii) সামৰণি মজুত / Closing Stock

(iii) বিবিধ দেনাদাৰ / Sundry Debtors

(iv) বিবিধ পাওনাদাৰৰ / Sundry Creditors

6. *(a)* নগদ প্ৰবাহ বিৱৰণ বুলিলে কি বুজা? নগদ প্ৰবাহ বিৱৰণৰ ব্যৱহাৰ আৰু গুৰুত্বসমূহ কি কি? নগদ প্ৰবাহ বিৱৰণৰ সীমাবদ্ধতাসমূহ উল্লেখ কৰা। 2+6+4=12

What do you mean by cash flow statement? What are the uses and significances of cash flow statement? Mention the limitations of cash flow statement.

অথবা / Or

(b) তলৰ 31 মাৰ্চ, 2023 আৰু 31 মাৰ্চ, 2024 তাৰিখৰ বিলায়েন্স লিমিটেডৰ উদ্বৃত্ত-পত্ৰ দিয়া হৈছে :

The following are the Balance Sheets of Reliance Ltd. as on 31st March, 2023 and 31st March, 2024 :

বিলায়েন্স লিমিটেডৰ উদ্বৃত্ত-পত্ৰ

Balance Sheets of Reliance Ltd.

বিৱৰণ/Particulars	*31.03.2024* টকা (₹)	*31.03.2023* টকা (₹)
I. *ইকুইটি আৰু দেনা :* *Equity and Liabilities :*		
সমাংশ মূলধন Equity Share Capital	2,00,000	1,50,000
অগ্ৰাধিকাৰ অংশ মূলধন Preference Share Capital	37,500	50,000
প্ৰতিভূতি প্ৰিমিয়াম সংৰক্ষিত পুঁজি Security Premium Reserve	30,000	—
ৰাহি হিচাপ Surplus A/c	36,000	(5,000)

বিৱৰণ/ *Particulars*	*31.03.2024* টকা (₹)	*31.03.2023* টকা (₹)
15% ঋণপত্ৰ 15% Debentures	1,25,000	1,00,000
বাণিজ্যিক দেয় Trade Payables	55,000	25,000
অৱচয়ৰ ব্যৱস্থা Provision for Depreciation	24,000	15,000
সন্দেহজনক ঋণৰ বাবে ব্যৱস্থা Provision for Doubtful Debts	8,000	5,000
	5,15,500	3,40,000
II. সম্পত্তি : *Assets* :		
স্থায়ী সম্পত্তি Fixed Assets	2,50,000	1,00,000
বিনিয়োগ Investment	22,500	20,000
ঋণপত্ৰ বিলি বেহাই Discount on Issue of Debentures	8,000	10,000
মজুত সম্ভাৰ Inventories	1,00,000	75,000
প্ৰাপ্য বিল Bills Receivables	28,000	88,000
বেংকত থকা নগদ ধন Cash at Bank	1,07,000	47,000
	5,15,500	3,40,000

অতিৰিক্ত তথ্য :

Additional Information :

(i) বছৰটোত পৰিশোধ কৰা লভ্যাংশৰ পৰিমাণ আছিল 18,000 টকা

Dividend paid during the year amounted to ₹ 18,000

(Continued)

(ii) 5,000 টকা ক্ৰয়মূল্যৰ বিনিয়োগ 40% লাভত বিক্ৰী কৰা হৈছিল

Investment costing ₹ 5,000 was sold at a profit of 40%

(iii) 10,000 টকা ক্ৰয়মূল্যৰ স্থায়ী সম্পত্তি (অৱচয়ৰ ব্যৱস্থা 4,000 টকা) 8,500 টকাত বিক্ৰী কৰা হৈছিল

Fixed Assets costing ₹ 10,000 (Provision for Depreciation ₹ 4,000) were sold for ₹ 8,500

(iv) 1 আগষ্ট, 2023 তাৰিখে 50,000 টকাৰ অতিৰিক্ত ডিবেঞ্চাৰ সমমূল্যত জাৰি কৰা হৈছিল

Additional Debentures amounting to ₹ 50,000 were issued at par on 1st August, 2023

(v) ডিবেঞ্চাৰৰ ওপৰত সুত নিয়মীয়াকৈ পৰিশোধ কৰা হৈছে

Interest on Debentures has been paid regularly

AS–3 (Revised) অনুসৰি 31 মাৰ্চ, 2024ত শেষ হোৱা বছৰটোৰ বাবে এখন নগদ প্ৰৱাহৰ বিৱৰণ (Statement of Cash Flow) প্ৰস্তুত কৰা। 12

Prepare a Statement of Cash Flow for the year ended 31st March, 2024 as per AS–3 (Revised).

7. *(a)* আৰ্থিক প্ৰতিবেদন (Financial Reporting)ৰ ধাৰণা ব্যাখ্যা কৰা। বিনিয়োগকাৰী, ঋণদাতা, ব্যৱস্থাপনা আৰু চৰকাৰ, আদি বিভিন্ন পক্ষ্যৰ বাবে ইয়াৰ উদ্দেশ্য আৰু গুৰুত্ব আলোচনা কৰা। 4+8=12

Explain the concept of Financial Reporting. Discuss its objectives and importance for different stakeholders such as investors, creditors, management and government.

অথবা / Or

(b) হিচাপ বিবৃতি (manipulation of accounts) বুলিলে কি বুজা যায়? উইণ্ডো ড্ৰেছিং আৰু সৃজনশীল হিচাপৰ বিভিন্ন পদ্ধতি আলোচনা কৰা। এনে প্ৰথাৰ অংশীদাৰ আৰু অৰ্থনীতিৰ ওপৰত প্ৰভাৱ ব্যাখ্যা কৰা। 3+5+4=12

What is manipulation of accounts? Discuss the various methods of window dressing and creative accounting. Explain the impact of such practices on stakeholders and the economy.

Paper : COMMKTC6C

(Advanced Advertising Management)

1. *(a)* তলত দিয়া খালী ঠাইবোৰ পূৰ কৰা : 1×4=4

Fill in the blanks of the following :

(i) বিজ্ঞাপন অভিযান গঢ়ি তোলাৰ প্ৰথম পদক্ষেপটো হ'ল _____ ।

The first step in developing an advertising campaign is _____.

(ii) অভিযান চলোৱাৰ পিছত বিজ্ঞাপনৰ ফলাফল মূল্যায়ন কৰাটোক _____ পৰীক্ষা বোলা হয় ।

Evaluating advertisement results after the campaign has run is called _____ testing.

(iii) বিজ্ঞাপন কাৰ্যকলাপৰ বাবে আবণ্টিত ধনৰাশিক বিজ্ঞাপন _____ বুলি কোৱা হয় ।

The amount allocated for advertising activities is referred to as the advertising _____.

(iv) পৰোক্ষভাৱে নিষিদ্ধ সামগ্ৰীৰ প্ৰচাৰ কৰা বিজ্ঞাপনক _____ বিজ্ঞাপন বুলি জনা যায় ।

Advertising that promotes restricted products indirectly is known as _____ advertising.

(b) নিম্নলিখিত বিবৃতিসমূহ সত্য নে অসত্য উল্লেখ কৰা : 1×4=4

State whether the following statements are True or False :

(i) বিজ্ঞাপনৰ উদ্দেশ্য এটা ফলপ্ৰসূ হ'বলৈ জুখিব পৰা আৰু সময়সীমাবদ্ধ হ'ব লাগিব।

An advertising objective must be measurable and time-bound to be effective.

(ii) প্ৰভাৱশালী ব্যক্তিজন চেলিব্ৰিটি নহ'লে প্ৰভাৱশালী বিপণন অকাৰ্যকৰী হয়।

Influencer marketing is ineffective unless the influencer is a celebrity.

(iii) সৃষ্টিশীল কৌশলে বাৰ্তাটোৱে কি ক'ব সেইটো নিৰ্ধাৰণ কৰে, আনহাতে নিষ্পাদনে ইয়াক কেনেকৈ উপস্থাপন কৰা হ'ব, সেইটো নিৰ্ধাৰণ কৰে।

A creative strategy defines what the message will say, while execution determines how it will be presented.

(iv) 'ৰিচ' বুলিলে বুজায় এটা বিজ্ঞাপন একেজন দৰ্শকৰ সন্মুখত কিমানবোৰ উন্মোচিত হয়।

'Reach' refers to the number of times an advertisement is exposed to the same audience.

2. তলৰ যি কোনো তিনিটাৰ ওপৰত চমু টোকা লিখা : 4×3=12

Write short notes on any *three* of the following :

(a) বিজ্ঞাপনত বিশ্বব্যাপী সমস্যা

Global issues in advertising

(b) বিজ্ঞাপনৰ 5Ms

5Ms of advertising

(c) কপিৰাইটিং

Copywriting

(d) প্ৰভাৱশালী বিপণন

Influencer marketing

(e) এ. আই.-ভিত্তিক বিজ্ঞাপন

AI-based advertising

3. *(a)* কৌশলগত আৰু অগতানুগতিক বিজ্ঞাপনৰ বিভিন্ন ৰূপ উপযুক্ত উদাহৰণৰ সৈতে ব্যাখ্যা কৰা। 10

Explain the different forms of strategic and non-traditional advertising with suitable examples.

অথবা / *Or*

(b) বিজ্ঞাপনত সামাজিক আৰু নৈতিক বিষয়সমূহৰ বিষয়ে আলোচনা কৰা, বিশেষকৈ গ্ৰাহকতাবাদ আৰু বহনক্ষমতাৰ সন্দৰ্ভত। 5+5=10

Discuss the social and ethical issues in advertising with special reference to consumerism and sustainability.

4. *(a)* তোমাৰ পছন্দৰ নতুন সামগ্ৰীৰ বাবে এটা বিজ্ঞাপন অভিযানৰ বাবে এটা ৰূপৰেখা ডিজাইন কৰা, বাৰ্তা কৌশল, সৃষ্টিশীল পদ্ধতি আৰু মাধ্যম নিৰ্বাচন উজ্জ্বল কৰি। 10

Design an outline for an advertising campaign for a new product of your choice by highlighting message strategy, creative approach and media selection.

অথবা / *Or*

(b) বিজ্ঞাপনৰ আবেদনৰ ধাৰণাটো ব্যাখ্যা কৰা। বিজ্ঞাপনত ব্যৱহৃত প্ৰধান ধৰণৰ আবেদনসমূহৰ বিষয়ে উপযুক্ত উদাহৰণৰ সৈতে আলোচনা কৰা। 2+8=10

Explain the concept of advertising appeals. Discuss the major types of appeals used in advertising with suitable examples.

5. *(a)* ডিজিটেল মাৰ্কেটিঙৰ প্ৰেক্ষাপটত SEO, SEM আৰু Social Media Advertisingৰ ধাৰণাসমূহৰ বিষয়ে আলোচনা কৰা। ব্ৰেণ্ডৰ দৃশ্যমানতা আৰু গ্ৰাহকৰ সংযোগ বৃদ্ধিত তেওঁলোকৰ কৌশলগত গুৰুত্ব বিশ্লেষণ কৰা। 3+3+4=10

Discuss the concepts of SEO, SEM and Social Media Advertising in the context of digital marketing. Analyze their strategic importance in enhancing brand visibility and customer engagement.

অথবা / ***Or***

(b) সংহত বিপণন যোগাযোগ (IMC)ৰ ধাৰণাটো ব্যাখ্যা কৰা। ইয়াৰ উপাদানসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা। 2+8=10

Explain the concept of Integrated Marketing Communication (IMC). Discuss its elements in brief.

6. *(a)* বিজ্ঞাপনৰ সিদ্ধান্তক প্ৰভাৱিত কৰা প্ৰধান কাৰকসমূহ ব্যাখ্যা কৰা। 10

Explain the major factors influencing advertising decisions.

অথবা / Or

(b) বিজ্ঞাপনৰ ফলপ্ৰসূতা জুখিবলৈ ব্যৱহাৰ কৰা বিভিন্ন পদ্ধতিৰ বিষয়ে আলোচনা কৰা।

Discuss the various methods used to measure advertising effectiveness.

Paper : COMHRMC6C

(Global Human Resources Management)

1. *(a)* শুদ্ধ নে অশুদ্ধ লিখা : 1×5=5

Write True or False :

(i) গোলকীয় মানৱ সম্পদ ব্যৱস্থাপনাৰ পৰিসৰ আভ্যন্তৰীণ মানৱ সম্পদ ব্যৱস্থাপনাতকৈ বহল।

Global HRM is broader in scope than domestic HRM.

(ii) কৰ্মশক্তিৰ বৈচিত্ৰ্যই সাংগঠনিক সৃজনশীলতা বৃদ্ধি কৰে।

Workforce diversity improves organizational creativity.

(iii) নৃগোষ্ঠীকেন্দ্ৰিক কৰ্মী নিয়োগ নীতিৰ মূল পদসমূহত আয়োজক দেশৰ নাগৰিকসকলক নিযুক্তি দিয়া হয়।

Ethnocentric staffing policy appoints host country nationals in key positions.

(iv) মানৱ সম্পদ নিৰীক্ষণে মানৱ সম্পদ কাৰ্যাৱলীৰ ফলপ্ৰসূতা মূল্যায়ন কৰে।

HR Audit evaluates effectiveness of HR functions.

(v) প্ৰবাসী কৰ্মচাৰীৰ ব্যৰ্থতাই সাংগঠনিক ব্যয় আৰু সুনামক প্ৰভাৱিত কৰে।

Expatriate failure affects organizational cost and reputation.

(b) খালী ঠাই পূৰণ কৰা : 1×3=3

Fill in the blanks :

(i) বিদেশত নিযুক্তিৰ বাবে কৰ্মচাৰী নিৰ্বাচন কৰাৰ প্ৰক্ৰিয়াক _____ বুলি কোৱা হয়।

The process of selecting employees for overseas assignments is called _____.

(ii) সৰ্বাঙ্গীন গুণগত ব্যৱস্থাপনাই _____ উত্তৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

Total Quality Management emphasizes _____ improvement.

(iii) মানৱ সম্পদ নীতি আৰু পদ্ধতিৰ সুশৃংখল মূল্যায়নক _____ বুলি জনা যায়।

The systematic evaluation of HR policies and practices is known as _____.

2. তলত দিয়া যি কোনো **তিনিটাৰ** ওপৰত চমু টোকা লিখা : 4×3=12

Write short notes on any *three* of the following :

(a) গোলকীয় মানৱ সম্পদ ব্যৱস্থাপনাৰ সমসাময়িক বিষয়সমূহ

Contemporary issues in Global Human Resource Management

(b) সৰ্বাঙ্গীন গুণগত ব্যৱস্থাপনা (TQM)

Total Quality Management (TQM)

(c) বাহিৰা উৎসৰ পৰা কৰ্মসংস্থাপন (আউটছ'ৰ্চিং)

Outsourcing

(d) কৰ্মচাৰীৰ পৰিৱৰ্তন (চাকৰি এৰা) আৰু অনুপস্থিতিৰ কাৰণসমূহ

Causes of employee turnover and absenteeism

(e) মানৱ সম্পদ হিচাপৰক্ষণ

HR accounting

3. (a) আধুনিক ব্যৱসায়িক প্ৰতিষ্ঠানত গোলকীয় মানৱ সম্পদ ব্যৱস্থাপনাৰ গুৰুত্ব আলোচনা কৰা। 10

Discuss the importance of Global Human Resource Management in modern business organizations.

অথবা / Or

(b) আভ্যন্তৰীণ মানৱ সম্পদ ব্যৱস্থাপনা আৰু গোলকীয় মানৱ সম্পদ ব্যৱস্থাপনাৰ মাজৰ প্ৰধান পাৰ্থক্যসমূহ ব্যাখ্যা কৰা।

Explain the major differences between Domestic HRM and Global HRM.

4. (a) গোলকীয় প্ৰতিষ্ঠানসমূহত মানৱ সম্পদ পদ্ধতিৰ ওপৰত সাংস্কৃতিক পাৰ্থক্যৰ প্ৰভাৱ ব্যাখ্যা কৰা। 10

Explain the impact of cultural differences on HR practices in global organizations.

অথবা / Or

(b) কৰ্মশক্তিৰ বৈচিত্ৰ্য আৰু ইয়াৰ ব্যৱস্থাপনাগত প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।

Discuss workforce diversity and its managerial implications.

5. (a) আন্তঃৰাষ্ট্ৰীয় কৰ্মী নিয়োগৰ ধাৰণা আৰু বহুজাতিক কোম্পানীত ইয়াৰ তাৎপৰ্য ব্যাখ্যা কৰা। 10

Explain the concpet of international staffing and its significance in multinational companies.

অথবা / Or

(b) প্ৰবাসী কৰ্মচাৰী ব্যৱস্থাপনাৰ প্ৰত্যাহ্বানসমূহ আলোচনা কৰা আৰু আন্তঃৰাষ্ট্ৰীয় কৰ্মী নিৰ্বাচিতকৰণৰ মূল ধাৰকসমূহ আলোচনা কৰা।

Discuss the challenges of expatriate management and also discuss about the international selection criteria.

6. *(a)* বহুজাতিক প্ৰতিষ্ঠানগত মানৱ সম্পদ নিৰীক্ষণৰ ভূমিকা ব্যাখ্যা কৰা। 10

Explain the role of HR Audit in multinational organizations.

অথবা / Or

(b) জাপানৰ ব্যৱস্থাপনা দৰ্শন আৰু মানৱ সম্পদ পদ্ধতিৰ ওপৰত ইয়াৰ প্ৰভাৱ আলোচনা কৰা।

Discuss the management philosophy of Japan and its influence on HR practices.

Paper : COMBNIC6C

(Microfinance)

SECTION—A

1. তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া : 1×8=8

Answer the following as directed :

(a) ক্ষুদ্ৰ বিত্ত মূলতঃ _____ লোকসকলক বিত্তীয় সেৱা প্ৰদান কৰে। (খালী ঠাই পূৰ কৰা)

Microfinance mainly provides financial services to _____.

(Fill in the blank)

(b) SHGৰ সম্পূৰ্ণ নাম হৈছে _____.

(খালী ঠাই পূৰ কৰা)

SHG stands for _____.

(Fill in the blank)

(c) ক্ষুদ্ৰ বিত্ত কেৱল চহৰ অঞ্চলৰ বাবে।

(সঁচা নে মিছা লিখা)

Microfinance is only for urban areas.

(Write True or False)

(d) NABARD স্থাপন কৰা হৈছিল _____ চনত।

(খালী ঠাই পূৰ কৰা)

NABARD was established in the year _____.

(Fill in the blank)

(e) তলৰ কোনটো ক্ষুদ্ৰ বিত্ত আৰ্হি?

Which of the following is a microfinance model?

(i) SHG-বেংক সংযোগ আৰ্হি

SHG-bank linkage model

(ii) গ্ৰামীণ আৰ্হি

Grameen model

(iii) যৌথ দায়িত্ব গোট

Joint liability group

(iv) ওপৰৰ সকলোবোৰ

All of the above

(শুদ্ধ উত্তৰটো বাচি উলিওৱা)

(Choose the correct answer)

(f) RBIএ ভাৰতত _____ নিয়ন্ত্ৰণ কৰে।

(খালী ঠাই পূৰ কৰা)

RBI regulates _____ in India.

(Fill in the blank)

(g) MUDRA মূলতঃ সহায় কৰে

MUDRA mainly supports

(i) ডাঙৰ উদ্যোগক

large industries

(ii) ক্ষুদ্ৰ উদ্যোগক

microenterprises

(iii) বিদেশী বেংকক

foreign banks

(iv) শ্বেয়াৰ বজাৰক

stock market

(শুদ্ধ উত্তৰটো বাচি উলিওৱা)

(Choose the correct answer)

(h) লাংপী দেহাঙ্গী বেংক _____ৰ সৈতে একত্ৰীকৰণ হৈছে।

(খালী ঠাই পূৰ কৰা)

Langpi Dehangi Bank is amalgamated with _____. (Fill in the blank)

SECTION—B

2. তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ চমু উত্তৰ লিখা : 3×4=12

Answer any *four* of the following questions in short :

(a) ক্ষুদ্ৰ বিত্তৰ সংজ্ঞা দিয়া আৰু ক্ষুদ্ৰ বিত্তৰ দুটা উৎস উল্লেখ কৰা।

Define microfinance and mention two sources of microfinance.

(b) ক্ষুদ্ৰ বিত্তৰ স্বভাৱ আৰু পৰিসৰ ব্যাখ্যা কৰা।

Explain the nature and scope of microfinance.

(c) ভাৰতত মাইক্ৰ'ফাইনেন্সৰ বিকাশ সম্পৰ্কে এটা চমু টোকা লিখা।

Write a short note on the evolution of microfinance in India.

(d) ক্ষুদ্ৰ বিত্তত বাণিজ্যিক বেংকসমূহৰ ভূমিকা ব্যাখ্যা কৰা।

Explain the role of commercial banks in microfinance.

(e) Joint Liability Group (JLG) কি?

What is Joint Liability Group (JLG)?

(f) ক্ষুদ্ৰ ঋণ আৰু ক্ষুদ্ৰ বিত্তৰ মাজৰ পাৰ্থক্যসমূহ লিখা।

Differentiate between Microcredit and Microfinance.

SECTION—C

3. তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া : 5×4=20

Answer any *four* of the following questions :

(a) ভাৰতত মাইক্ৰ'ফাইনেন্সৰ গুৰুত্ব আৰু উদ্দেশ্য আলোচনা কৰা।

Discuss the importance and objectives of microfinance in India.

(b) ভাৰতত ক্ষুদ্ৰ বিত্তীয় ব্যৱস্থাৰ নিয়ন্ত্ৰণ কাঠামো ব্যাখ্যা কৰা।

Explain the regulatory framework of microfinance in India.

(c) ভাৰতৰ বিভিন্ন ক্ষুদ্ৰ বিত্ত আৰ্হি (SHG, JLG, গ্ৰামীণ আৰ্হি) আলোচনা কৰা।

Discuss different microfinance models in India (SHG, JLG, Grameen Model).

(d) SHG-বেংক সংযোগ আৰ্হি ব্যাখ্যা কৰা।

Explain the SHG-bank linkage model.

(e) ভাৰতত ক্ষুদ্ৰ বিত্তৰ উদীয়মান সমস্যা আৰু ধাৰাসমূহ আলোচনা কৰা।

Discuss emerging issues and trends in microfinance in India.

SECTION—D

4. ভাৰতত দৰিদ্ৰতা হ্ৰাস আৰু বিত্তীয় অন্তৰ্ভুক্তিত মাইক্ৰ'ফাইনেন্সৰ ভূমিকা আলোচনা কৰা। 10

Discuss the role of microfinance in poverty alleviation and financial inclusion in India.

অথবা / *Or*

ভাৰতত MFIসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ আৰু উন্নয়নৰ ব্যৱস্থা ব্যাখ্যা কৰা।

Explain the challenges faced by Microfinance Institutions (MFIs) in India and suggest the measures for improvement.

5. ক্ষুদ্ৰ বিত্তীয় ব্যৱস্থাত NABARDৰ ভূমিকা, পুনৰ-অৰ্থায়ন সুবিধা আৰু নীতিসমূহ আলোচনা কৰা। 10

Discuss refinancing facilities and policies of NABARD in microfinance system.

অথবা / *Or*

ভাৰতত ক্ষুদ্ৰ বিত্তীয় সেৱা উন্নয়নত RBI আৰু MUDRAৰ ভূমিকা ব্যাখ্যা কৰা।

Explain the role of RBI and MUDRA in facilitating microfinance services in India.

★★★